Total No. of Printed Pages—15

**1 SEM TDC FACC 3 (G/S) (N/O)**

# 2017

( November )

COMMERCE

( General / Speciality )

Course : 103

**( Financial Accounting )**

*The figures in the margin indicate full marks for the questions*

**( New Course )**

*Full Marks* : 80

*Pass Marks* : 24

*Time* : 3 hours

www.prepnext.com

**1.** *(a)* Write 'True' or 'False' : 1×4=4

'সঁচা' নে 'মিছা' লিখা :

*(i)* Sales – Gross Profit = Cost of Goods Sold

বিক্ৰী – মুঠ লাভ = বিক্ৰীযোগ্য বস্তুৰ ব্যয়

*(ii)* There is no difference between Hire-purchase System and Instalment Purchase System.

ভাড়া-ক্ৰয় পদ্ধতি আৰু কিস্তি-ক্ৰয় পদ্ধতিৰ মাজত কোনো পাৰ্থক্য নাই।

*(iii)* Under debtors system, Branch Account discloses profit or loss of the branch.

দেনাদাৰ পদ্ধতিত শাখাৰ হিচাপে শাখাৰ লাভ বা লোকচান প্ৰকাশ কৰে।

*(iv)* Royalty Account is closed by transferring it to the Landlord's Account.

ভূস্বামীৰ হিচাপলৈ প্ৰেৰণ কৰি স্বত্বকৰৰ হিচাপটো বন্ধ কৰা হয়।

(b) Fill in the blanks : 1×4=4

খালী ঠাই পূৰণ কৰা :

(i) Accounting Standard Board was set up in India in the year _____.

ভাৰতবৰ্ষত হিচাপ-বিদ্যাৰ মানক বোৰ্ড _____ চনত গঠন কৰা হয়।

(ii) In hire-purchase system, the buyer charges depreciation on the _____ price.

ভাড়া-ক্রয় পদ্ধতিত ক্রেতাই _____ মূল্যৰ ওপৰত অৱক্ষয় ধাৰ্য কৰে।

(iii) Selling expenses should be divided among the different departments on the basis of _____.

বিক্রী ব্যয়সমূহ বিভিন্ন বিভাগৰ মাজত _____-ৰ ওপৰত ভিত্তি কৰি ভাগ কৰিব লাগে।

(iv) Shortworking is the excess of _____ over actual royalty.

ঘাটি-উৎপাদন হৈছে প্রকৃত স্বত্বকৰতকৈ _____-ৰ বৰ্দ্ধিত অংশটো।

**2.** Write short notes on (any *four*) : 4×4=16

চমু টোকা লিখা (যি কোনো চাৰিটা) :

(a) The provisions of Accounting Standard–6

হিচাপ-বিদ্যাৰ 6 নং মানকৰ ব্যৱস্থাসমূহ

(b) Termination of hire-purchase agreement

ভাড়া-ক্রয় চুক্তিৰ বাতিলকৰণ

(c) Goods in transit

গন্তব্য পথত থকা পণ্যবস্তু

(d) Objectives of Departmental Accounts

বিভাগীয় হিচাপৰ উদ্দেশ্যসমূহ

www.prepnext.com

(e) Minimum rent

নিম্নতম খাজনা

(f) Independent branch

স্বাধীন শাখা

**3.** (a) Das Co. purchased two machines of ₹ 5,250 each from Bharat Machine Co. on 1st January, 2011 on hire-purchase system. As per agreement, payment to be made ₹ 3,000 down and the balance in three equal annual instalments alongwith interest @ 5% per annum. Das Co. writes off depreciation @ 10% per annum on written down value method.

After having paid the first instalment, the buyer could not pay the second instalment and the seller took possession of one machine adjusting the value of other against the amount due taking the machine @ 20% depreciation on diminishing balance method.

Seller, after spending ₹ 100 on repairs, sold it away for ₹ 4,000.

Show the Ledger A/cs in the books of both the parties. Books are closed on 31st December each year. 4+4+4+2=14

2011 চনৰ 1 জানুৱাৰী তাৰিখে দাস কোম্পানীয়ে প্ৰতি মেচিনত 5,250 টকাকৈ দুটা মেচিন ভাৰত মেচিন কোম্পানীৰ পৰা ভাড়া-ক্ৰয় পদ্ধতিত ক্ৰয় কৰিবলৈ চুক্তিবদ্ধ হয়। চৰ্ত অনুসৰি চুক্তিপত্ৰ স্বাক্ষৰিত হোৱাৰ লগে লগে 3,000 টকা আৰু অৱশিষ্ট টকা তিনিটা সমান বছৰেকীয়া কিস্তিত বছৰি শতকৰা 5% হাৰত সুত সহ পৰিশোধ কৰিব লাগিব। দাস কোম্পানীয়ে মেচিনৰ ওপৰত বছৰি শতকৰা 10% হাৰত ক্ৰমহ্ৰাসমান পদ্ধতিত অৱক্ষয় ধাৰ্য কৰে।

প্ৰথম কিস্তি পৰিশোধ কৰাৰ পাছত ক্ৰেতাই দ্বিতীয় কিস্তি পৰিশোধ কৰিবলৈ অসমৰ্থ হোৱাত বিক্ৰেতাই এটা মেচিন ক্ৰেতাৰ হাতত এৰি আনটো মেচিনত বছৰি শতকৰা 20% হাৰত ক্ৰমহ্ৰাসমান পদ্ধতিত অৱক্ষয় বাদ দি মূল্য নিৰূপণ কৰি হস্তগত কৰে।

বিক্ৰেতাই হস্তগত কৰা মেচিন 100 টকাত মেৰামতি কৰি 4,000 টকাত বিক্ৰী কৰে।

দুয়োটা পক্ষৰ বহীত খতিয়ান হিচাপ দেখুওৱা। প্ৰতি বছৰে হিচাপ বহীবোৰ 31 ডিচেম্বৰ তাৰিখে বন্ধ কৰা হয়।

*Or / অথবা*

(b) What is hire-purchase system? Mention its chief features. Should depreciation on assets be provided for under hire-purchase system? Discuss. 3+7+4=14

ভাড়া-ক্ৰয় পদ্ধতি কি? ইয়াৰ মুখ্য বৈশিষ্ট্যসমূহ উল্লেখ কৰা। ভাড়া-ক্ৰয় পদ্ধতিত সম্পত্তিৰ ওপৰত অৱক্ষয় ধাৰ্য কৰা উচিত নে? আলোচনা কৰা।

www.prepnext.com

4. *(a)* What do you mean by Accounting Standards? Mention the procedure for issuing Accounting Standards. Distinguish between Accounting Standards and Accounting Principles. 3+6+5=14

হিচাপ-বিদ্যাৰ মানক বুলিলে কি বুজা? হিচাপ-বিদ্যাৰ মানক প্ৰণয়নৰ প্ৰক্ৰিয়া উল্লেখ কৰা। হিচাপ-বিদ্যাৰ মানক আৰু হিচাপ-বিদ্যাৰ নীতিসমূহৰ মাজত থকা প্ৰভেদসমূহ উল্লেখ কৰা।

*Or / অথবা*

*(b)* The following is the Trial Balance of M/s Arun and Barun, a partnership firm, as on 31st March, 2017. Prepare a Trading and Profit & Loss A/c for the year ended 31st March, 2017 and a Balance Sheet as on that date : 4+5+5=14

মেচাৰ্চ অৰুণ আৰু বৰুণৰ অংশীদাৰী প্ৰতিষ্ঠানৰ 2017 চনৰ 31 মাৰ্চত প্ৰস্তুত কৰা উদ্বৃত্ত মিলন বিবৃতি তলত দিয়া হ'ল। উক্ত তাৰিখত ক্ৰয়-বিক্ৰয় আৰু লাভ-লোকচানৰ হিচাপ প্ৰস্তুত কৰি উদ্বৃত্ত-পত্ৰ প্ৰস্তুত কৰা :

*Trial Balance / উদ্বৃত্ত মিলন বিবৃতি*

| *Dr. Balances* / *ডেবিট স্থিতিসমূহ* | ₹ (টকা) | *Cr. Balances* / *ক্ৰেডিট স্থিতিসমূহ* | ₹ (টকা) |
|---|---|---|---|
| Purchases / ক্ৰয় | 2,50,000 | Sales / বিক্ৰয় | 5,50,000 |
| Advertisement / বিজ্ঞাপন | 11,000 | Bills Payable / দেয় বিল | 47,000 |
| Wages / মজুৰি | 1,50,000 | 10% IDBI Loan (01.10.2016) / 10% IDBI ঋণ (01.10.2016) | 2,00,000 |
| Bills Receivable / প্ৰাপ্য বিল | 10,000 | Sundry Creditors / বিবিধ পাওনাদাৰ | 48,000 |
| Printing and Stationery / ছপা আৰু লেখন সামগ্ৰী | 5,000 | Capitals : / মূলধন : | |
| Trade Expenses / ব্যৱসায়িক খৰচ | 13,000 | Arun / অৰুণ | 1,00,000 |
| Machinery / যন্ত্ৰপাতি | 72,000 | Barun / বৰুণ | 1,00,000 |
| Sundry Debtors / বিবিধ দেনাদাৰ | 78,000 | Commission / দস্তুৰি | 2,000 |
| Goodwill / সুনাম | 85,000 | | |
| Fuel / ইন্ধন | 24,000 | | |

www.prepnext.com

| Dr. Balances<br>ডেবিট স্থিতিসমূহ | ₹ (টকা) | Cr. Balances<br>ক্রেডিট স্থিতিসমূহ | ₹ (টকা) |
|---|---|---|---|
| Opening Stock<br>প্ৰাৰম্ভিক সম্ভাৰ | 90,000 | | |
| Rent and Taxes<br>ভাড়া আৰু কৰ | 19,000 | | |
| Land and Building<br>মাটি আৰু ঘৰ | 1,65,000 | | |
| Interest on Loan<br>ঋণৰ ওপৰত সুত | 8,000 | | |
| Cash in Hand<br>নগদ ধন | 32,000 | | |
| Depreciation on Machinery<br>যন্ত্ৰপাতিৰ ওপৰত অৱক্ষয় | 8,000 | | |
| Discount<br>বাট্টা | 4,000 | | |
| Bad Debts<br>অনুদ্ধাৰণীয় ঋণ | 3,000 | | |
| Furniture<br>আচবাব | 20,000 | | |
| | 10,47,000 | | 10,47,000 |

*Necessary adjustments* :

*আৱশ্যকীয় সমযোজনাসমূহ* :

*(i)* Value of Closing Stock—₹ 75,000

সামৰণি মজুত পণ্যৰ মূল্য—75,000 টকা

*(ii)* Allow interest on capital of the partners @ 5% p.a.

অংশীদাৰসকলক মূলধনৰ ওপৰত বাৰ্ষিক 5% হাৰত সুত দিব লাগিব

*(iii)* During the year, goods worth ₹ 10,000 has been destroyed by fire. But the insurance company agreed to a claim of ₹ 7,000 only

বছৰটোৰ ভিতৰত জুইত পুৰি 10,000 টকাৰ পণ্যসামগ্ৰী লোকচান হয়। বীমা কোম্পানীয়ে অৱশ্যে 7,000 টকাৰ ক্ষতিপূৰণ দিবলৈ সম্মত হয়

www.prepnext.com

**5.** *(a)* *(i)* Distinguish between Branch Accounts and Departmental Accounts. 5

শাখা হিচাপ আৰু বিভাগীয় হিচাপৰ মাজত থকা পাৰ্থক্যবোৰ উল্লেখ কৰা।

*(ii)* How are the inter-departmental transactions recorded in Departmental Accounts? 3

বিভাগীয় হিচাপত আন্তঃবিভাগীয় লেনদেনসমূহ কেনেধৰণেৰে লিপিবদ্ধ কৰা হয়?

*(iii)* Explain the basis of allocation of common expenses over the various departments in Departmental Accounts. 6

বিভাগীয় হিচাপত সাধাৰণ ব্যয়সমূহ বিভিন্ন বিভাগৰ মাজত কি ভিত্তিত বণ্টন কৰা হয়, ব্যাখ্যা কৰা।

*Or / অথবা*

*(b)* Dipali Electronics Ltd. opened a branch at Dibrugarh on 1st April, 2016. From the following figures relating to Dibrugarh branch, prepare Dibrugarh Branch A/c and Goods Sent to Branch A/c for the year ended 31st March, 2017 : 10+4=14

দিপালী ইলেকট্ৰনিক্স লিমিটেডে 1 এপ্ৰিল, 2016 তাৰিখৰ দিনা ডিব্ৰুগড়ত এটা শাখা খোলে। ডিব্ৰুগড় শাখাৰ লগত জড়িত নিম্নোক্ত তথ্যসমূহৰ ওপৰত ভিত্তি কৰি ডিব্ৰুগড় শাখা হিচাপ আৰু শাখালৈ পঠিওৱা পণ্যবস্তুৰ হিচাপ 31 মাৰ্চ, 2017 তাৰিখৰ দিনা অন্তপৰা বছৰটোৰ বাবে প্ৰস্তুত কৰা :

| | ₹ (টকা) |
|---|---|
| Goods sent to branch<br>শাখালৈ পঠিওৱা পণ্যবস্তু | 42,000 |
| Cash sent to branch for :<br>শাখালৈ পঠিওৱা নগদ ধন : | |
| Rent<br>ভাড়াৰ বাবে | 1,800 |
| Salaries<br>দৰমহাৰ বাবে | 4,000 |
| Cash sales<br>নগদ বিক্ৰয় | 15,000 |
| Credit sales<br>বাকীত বিক্ৰয় | 29,000 |
| Cash collected from debtors<br>দেনাদাৰসকলৰ পৰা নগদ ধন প্ৰাপ্ত হয় | 23,000 |
| Stock (31.03.2017)<br>সম্ভাৰ (31.03.2017) | 5,200 |

www.prepnext.com

| | ₹ (টকা) |
|---|---|
| Petty cash (31.03.2017)<br>ক্ষুদ্ৰ নগদ ধন (31.03.2017) | 120 |
| Goods returned by customers<br>গ্ৰাহকৰ পৰা পণ্যবস্তু ফিৰৎ | 1,700 |
| Discount allowed to customers<br>গ্ৰাহকসকললৈ বাট্টা আদায় দিয়া হয় | 1,300 |

**6.** *(a)* What is royalty? What are its different types? Why is minimum rent important in Royalty A/c? Distinguish between Rent and Royalty. 2+3+4+5=14

স্বত্বকৰ কি? ইয়াৰ বিভিন্ন প্ৰকাৰসমূহ কি কি? স্বত্বকৰ হিচাপত নিম্নতম খাজনা কিয় গুৰুত্বপূৰ্ণ? ভাড়া আৰু স্বত্বকৰৰ মাজত থকা প্ৰভেদসমূহ উল্লেখ কৰা।

*Or / অথবা*

*(b)* Sri Amrit Phukan took a colliery on lease from Sri Mohan Singh for a period of 20 years from 1st January, 2011 on a royalty of ₹ 16 per ton of coal raised with a minimum rent of ₹ 80,000 per annum and power to recoup shortworkings was first four years of the lease.

The annual coal raised were :

| *Year* | *Output* (in tons) |
|---|---|
| 2011 | 3000 |
| 2012 | 3500 |
| 2013 | 5000 |
| 2014 | 9000 |
| 2015 | 10000 |

From the above particulars, prepare the following in the books of Sri Amrit Phukan : 4+5+5=14

*(i)* Royalty A/c

*(ii)* Shortworkings A/c

*(iii)* Mohan Singh's A/c

www.prepext.com

শ্ৰী অমৃত ফুকনে শ্ৰী মোহন সিঙৰ পৰা এটা কয়লাখনি 2011 চনৰ 1 জানুৱাৰী তাৰিখৰ পৰা 20 বছৰৰ বাবে লীজত ল'লে। বছৰেকীয়া ন্যূনতম খাজনা 80,000 টকাত নিৰ্ধাৰিত কৰা হ'ল আৰু প্ৰতি টন উৎপাদিত কয়লাত 16 টকা স্বত্বকৰ দিয়াৰ চৰ্তত চুক্তিবদ্ধ হ'ল। চুক্তি অনুসৰি প্ৰথম চাৰি বছৰৰ ভিতৰত স্বত্বকৰৰ পৰা হ্ৰস্ব-উৎপাদনৰ পৰিমাণ আদায় লোৱাৰ অধিকাৰ থাকিব।

বাৰ্ষিক কয়লা উৎপাদনৰ পৰিমাণ :

| বছৰ | উৎপাদনৰ পৰিমাণ (টনত) |
|---|---|
| 2011 | 3000 |
| 2012 | 3500 |
| 2013 | 5000 |
| 2014 | 9000 |
| 2015 | 10000 |

উপৰোক্ত তথ্যৰ পৰা শ্ৰী অমৃত ফুকনৰ বহীত তলত দিয়াবোৰ প্ৰস্তুত কৰি দেখুওৱা :

*(i)* স্বত্বকৰ হিচাপ

*(ii)* হ্ৰস্ব-উৎপাদন হিচাপ

*(iii)* মোহন সিঙৰ হিচাপ

www.prepnext.com

## ( Old Course )

*Full Marks* : 80
*Pass Marks* : 32

*Time* : 3 hours

**1.** *(a)* Fill in the blanks : 1×4=4
খালী ঠাই পূৰণ কৰা :

*(i)* Revenue is generally recognized at the point of _____.
সাধাৰণতে _____-ৰ মুহূৰ্তত চলিত আয় উপাৰ্জন কৰা হৈছে বুলি বিবেচনা কৰা হয়।

*(ii)* In hire-purchase system, the buyer charges depreciation on _____ price.
ভাড়া-ক্ৰয় পদ্ধতিত ক্ৰেতাই _____ মূল্যৰ ওপৰত অৱক্ষয় ধাৰ্য কৰে।

*(iii)* Royalty paid on sales is debited to _____ Account.
বিক্ৰীৰ ওপৰত স্বত্বকৰ পৰিশোধ কৰিলে _____ হিচাপত ডেবিট কৰা হয়।

*(iv)* After making payment to third parties, the _____ due to a partner is paid.
তৃতীয় পক্ষক পৰিশোধ কৰাৰ পাছতহে এজন অংশীদাৰক পাবলগীয়া _____ পৰিশোধ কৰা হয়।

*(b)* Write 'True' or 'False' : 1×4=4
'সঁচা' নে 'মিছা' লিখা :

*(i)* Accounting Standard Board was set up in India in the year 1977.
ভাৰতবৰ্ষত হিচাপ-বিদ্যাৰ মানক পৰিষদ 1977 চনত গঠন কৰা হয়।

*(ii)* The buyer has no option to return the goods in case of hire-purchase.
ভাড়া-ক্ৰয়ৰ ক্ষেত্ৰত ক্ৰেতাৰ হাতত ক্ৰয় কৰা বস্তু ফিৰৎ কৰাৰ কোনো বিকল্প নাথাকে।

*(iii)* Branch Stock A/c is always prepared at cost price.
শাখা সম্ভাৰৰ হিচাপ সদায় ক্ৰয়মূল্যত প্ৰস্তুত কৰা হয়।

*(iv)* When a partner is not able to meet his liabilities, he is said to be insolvent.
যেতিয়া কোনো এজন অংশীদাৰে নিজৰ দেনাখিনি পৰিশোধ কৰিবলৈ অসমৰ্থ হয়, তেন্তে তেওঁক দেউলীয়া বুলি গণ্য কৰা হয়।

www.prepnext.com

**2.** Write short notes on (any *four*) : 4×4=16

চমু টোকা লিখা (যি কোনো **চাৰিটা**) :

(a) IFR Standards

IFR মানকসমূহ

(b) Features of Instalment Purchase System

কিস্তি-ক্রয় পদ্ধতিৰ বৈশিষ্ট্যসমূহ

(c) Sub-lease

উপস্বত্ব-ভাড়া

(d) Independent Branch

স্বতন্ত্র শাখা

(e) Realization Account

আদায়কৰণৰ হিচাপ

**3.** (a) The following is the Trial Balance of Mr. Arup Baruah's business as on 31st March, 2017 :

তলত দিয়া মিষ্টাৰ অৰূপ বৰুৱাৰ ব্যৱসায়ৰ উদ্বৃত্ত মিলন বিবৃতি 2017 চনৰ 31 মাৰ্চত দিয়া হ'ল :

*Trial Balance / উদ্বৃত্ত মিলন বিবৃতি*

| *Dr. Balances* / *ডেবিট স্থিতিসমূহ* | ₹ (টকা) | *Cr. Balances* / *ক্রেডিট স্থিতিসমূহ* | ₹ (টকা) |
|---|---|---|---|
| Opening Stock / আৰম্ভণি মজুত পণ্য | 1,60,000 | Sundry Creditors / বিবিধ পাওনাদাৰ | 1,50,000 |
| Purchases / ক্রয় | 4,00,000 | Bank Loan / বেংক ঋণ | 87,200 |
| Bills Receivable / প্ৰাপ্য বিল | 4,000 | Sales / বিক্রয় | 8,40,000 |
| Cash in Hand / নগদ হাতত জমা | 26,000 | Bills Payable / দেয় বিল | 40,000 |
| Bad Debts / অনুদ্ধাৰণীয় ঋণ | 2,000 | Commission / দস্তুৰি | 10,000 |
| Machinery / যন্ত্ৰপাতি | 1,32,000 | Capital / মূলধন | 5,20,000 |
| Advertisement / বিজ্ঞাপন ব্যয় | 16,000 | | |
| Sundry Debtors / বিবিধ দেনাদাৰ | 1,00,000 | | |

www.prepnext.com

| Dr. Balances<br>ডেবিট স্থিতিসমূহ | ₹ (টকা) | Cr. Balances<br>ক্রেডিট স্থিতিসমূহ | ₹ (টকা) |
|---|---|---|---|
| Goodwill<br>সুনাম | 1,40,000 | | |
| Land and Building<br>ঘৰবাৰী | 4,50,000 | | |
| Fuel<br>ইন্ধন | 30,000 | | |
| Wages and Salaries<br>মজুৰি আৰু দৰমহা | 80,000 | | |
| Rent and Taxes<br>ভাড়া আৰু কৰ | 40,000 | | |
| Discount<br>বাট্টা | 17,200 | | |
| Interest<br>সুত | 20,000 | | |
| Furniture<br>আচবাব | 30,000 | | |
| | 16,47,200 | | 16,47,200 |

From the following additional information, you are required to prepare a Trading and Profit & Loss A/c for the year ended 31st March, 2017 and a Balance Sheet as on that date : 3+4+5=12

তলত দিয়া অতিৰিক্ত তথ্যসমূহ বিচাৰ কৰি 2017 চনৰ 31 মাৰ্চত অন্ত পৰা বছৰটোৰ বাবে কিনা-বেচা আৰু লাভ-লোকচানৰ হিচাপ আৰু উক্ত দিনা এটি উদ্বৃত্ত-পত্ৰ প্ৰস্তুত কৰা :

*(i)* Closing stock as on 31st March, 2017—₹ 1,20,000
31 মাৰ্চ, 2017 তাৰিখৰ দিনা সামৰণি মজুত পণ্যৰ মূল্য—1,20,000 টকা

*(ii)* Depreciate machinery by 10% and furniture by 5%
যন্ত্ৰপাতি 10% হাৰত আৰু আচবাব 5% হাৰত অৱক্ষয় ধাৰ্য কৰিব লাগে

*(iii)* Create a reserve of 5% on sundry debtors for doubtful debts
সন্দেহজনক ঋণৰ বাবে 5% হাৰত সংচিতিৰ ব্যৱস্থা কৰিব লাগে

*(iv)* Write off $\frac{1}{4}$th of advertisement
বিজ্ঞাপন ব্যয়ৰ $\frac{1}{4}$ অংশ বিলোপ কৰিব লাগে

*Or / অথবা*

*(b)* What are Accounting Standards? State the objectives and scope of Accounting Standards. 3+5+4=12

হিচাপ-বিদ্যাৰ মানকসমূহ কি কি? হিচাপ-বিদ্যাৰ মানকসমূহৰ উদ্দেশ্য আৰু পৰিসৰৰ বিষয়ে উল্লেখ কৰা।

www.prepnext.com

4. (a) Distinguish between Hire-purchase System of Sales and Ordinary Credit Sales. Mention any three rights of hire vendor and three rights of hire purchaser as laid down in the Hire-purchase Act, 1972. 5+3+3=11

ভাড়া-ক্রয় পদ্ধতিত কৰা বিক্ৰী আৰু সাধাৰণ বাকীত কৰা বিক্ৰীৰ মাজত থকা প্ৰভেদসমূহ উল্লেখ কৰা। 1972 চনৰ ভাড়া-ক্রয় আইনত দিয়া ভাড়া বিক্ৰেতা আৰু ভাড়া ক্ৰেতাৰ প্ৰত্যেকৰে তিনিটাকৈ অধিকাৰ উল্লেখ কৰা।

*Or / অথবা*

(b) Domdom Store purchased a generator from M/s Bimal Brothers on instalment purchase system. ₹ 12,000 was payable on delivery on 1st April, 2012 and the balance in four annual instalments of ₹ 12,000 each on 31st March every year. The seller charges 5% interest per annum on the yearly balance. The cash price of the generator on the date of delivery was ₹ 54,551. Depreciation @ 10% per annum on diminishing balance was written off each year.

From the above particulars, prepare the following Ledger Accounts in the books of Domdom Store : 4+4+3=11

(i) Generator's A/c

(ii) M/s Bimal Brothers A/c

(iii) Interest Suspense A/c

দমদম ষ্টোৰে মেচাৰ্চ বিমল ব্ৰাদাৰ্চৰ পৰা এটা জেনেৰেটৰ কিস্তি-ক্ৰয় পদ্ধতিত ক্ৰয় কৰিছিল। 12,000 টকা কিনাৰ লগে লগে 1 এপ্ৰিল, 2012-ৰ দিনা পৰিশোধ কৰা হৈছিল আৰু বাকী টকা প্ৰত্যেক বছৰে 31 মাৰ্চ তাৰিখে 12,000 টকাৰ চাৰিটা সমান কিস্তিত আদায় দিব লগা হৈছিল। বিক্ৰেতাই বছৰেকীয়া স্থিতিৰ ওপৰত বছৰি 5% হাৰত সুত ধাৰ্য কৰিছিল। জেনেৰেটৰটো হাতলৈ অনাৰ দিনাখন ইয়াৰ নগদ মূল্য আছিল 54,551 টকা। ক্ৰমহ্ৰাসমান পদ্ধতিত বছৰি 10% হাৰত অৱক্ষয় ধাৰ্য কৰা হৈছিল।

উপৰোক্ত তথ্যসমূহৰ পৰা দমদম ষ্টোৰৰ বহীত তলত উল্লেখ কৰা খতিয়ানৰ হিচাপসমূহ প্ৰস্তুত কৰা :

(i) জেনেৰেটৰৰ হিচাপ

(ii) মেচাৰ্চ বিমল ব্ৰাদাৰ্চৰ হিচাপ

(iii) সুত অনিৰ্দিষ্ট হিচাপ

5. (a) What do you mean by Branch Accounting? Discuss the objects and advantages of Branch Accounting. 3+4+4=11

শাখা হিচাপ বুলিলে তুমি কি বুজা? শাখা হিচাপৰ উদ্দেশ্যসমূহ আৰু সুবিধাসমূহ আলোচনা কৰা।

www.prepnext.com

*Or / অথবা*

*(b)* Luit Ltd. has a branch at Duliajan which sells goods at cost plus 25%. From the following particulars, calculate the value of closing stock and prepare Duliajan Branch A/c for the year ended 31st March, 2017 : 3+8=11

লুইত লিমিটেডৰ দুলিয়াজানত এটা শাখা আছে যিটোৱে পণ্যবস্তু ক্রয়মূল্য যোগ 25% হিচাপে বিক্রী কৰে। তলত উল্লেখ কৰা তথ্যসমূহৰ পৰা সামৰণী সম্ভাৰৰ মূল্য নিৰূপণ কৰা আৰু 2017 চনৰ 31 মাৰ্চত অন্ত পৰা বছৰটোৰ বাবে দুলিয়াজান শাখাৰ হিচাপ প্ৰস্তুত কৰা :

| | | ₹ (টকা) |
|---|---|---|
| Stock at branch on 01.04.2016<br>01.04.2016 তাৰিখে শাখাৰ সম্ভাৰ | | 22,000 |
| Goods sent to branch<br>শাখালৈ পণ্যবস্তু প্ৰেৰণ | | 1,78,000 |
| Cash sales at branch<br>শাখাত নগদ বিক্রয় | | 2,00,000 |
| Expenses paid by Head Office :<br>মূখ্য কাৰ্যালয়ৰ দ্বাৰা ব্যয় পৰিশোধ : | | |
| Salaries<br>দৰমহা | 5,000 | |
| Advertisement<br>বিজ্ঞাপন | 2,000 | 7,000 |

A commission of 10% on the net profit after charging such commission is to be credited to Branch Manager.

প্ৰকৃত লাভৰ ওপৰত দস্তুৰি ধাৰ্য কৰাৰ পাছত 10% হাৰত শাখা পৰিচালকৰ হিচাপত দস্তুৰি প্ৰদান কৰিব লাগে।

**6.** *(a)* *A* took a lease of a colliery with a minimum rent of ₹ 30,000 per annum merging into a royalty of ₹ 5 per ton of coal raised with a right to recoup shortworkings within the first four years of lease. The output for first five years was given below :

*A* যে এটা কয়লাখনি লীজত লয় তথা চুক্তি অনুসৰি প্ৰতি টন কয়লাৰ ওপৰত 5 টকা হিচাপে স্বত্বকৰ ধাৰ্য কৰা হয় আৰু সৰ্বনিম্ন খাজনা 30,000 টকাত নিৰ্ধাৰণ কৰা হয়। প্ৰথম চাৰি বছৰত হ্ৰস্ব-উৎপাদনৰ পৰিমাণ পুনৰুদ্ধাৰ কৰাৰ অধিকাৰ থাকিব। প্ৰথম পাঁচ বছৰত কয়লা উৎপাদনৰ পৰিমাণ তলত দিয়া ধৰণৰ আছিল :

| *Year*<br>বছৰ | *Output*<br>(in tons)<br>উৎপাদন (টনত) |
|---|---|
| 1st | Nil |
| 2nd | 3000 |
| 3rd | 5000 |
| 4th | 7000 |
| 5th | 8000 |

Prepare necessary Ledger A/cs in the books of the lessee.

লীজ গ্ৰহীতাৰ বহীত প্ৰয়োজনীয় খতিয়ান হিচাপসমূহ প্ৰস্তুত কৰা।



www.prepnext.com

*Or / অথবা*

(b) What is royalty? State its different types. How does royalty differ from rent? 3+3+5=11

স্বত্বকৰ কি? ইয়াৰ বিভিন্ন প্ৰকাৰসমূহ উল্লেখ কৰা। স্বত্বকৰ কিদৰে ভাড়াৰ পৰা পৃথক?

**7.** (a) What do you mean by dissolution of a partnership firm? How and under what circumstances a partnership firm may be dissolved? Discuss. 3+8=11

এটা অংশীদাৰী প্ৰতিষ্ঠান ভংগ হোৱা বুলিলে তুমি কি বুজা? কেনেদৰে আৰু কোনবিলাক পৰিস্থিতিত কোনো এটা অংশীদাৰী প্ৰতিষ্ঠান ভংগ কৰিব পৰা যায়? আলোচনা কৰা।

*Or / অথবা*

(b) *X* and *Y* are two sole traders. They desire to amalgamate their businesses and form a new firm. The Balance Sheets of their businesses as on 31st March, 2017 were as follows :

*X* আৰু *Y* দুয়োজন একমালিকী ব্যৱসায়ী। তেওঁলোকে নিজৰ ব্যৱসায় প্ৰতিষ্ঠান একত্ৰিকৰণ কৰাৰ ইচ্ছা প্ৰকাশ কৰে আৰু এটা নতুন প্ৰতিষ্ঠান গঠন কৰিবলৈ সন্মত হয়। তেওঁলোকৰ ব্যৱসায় প্ৰতিষ্ঠানৰ উদ্বৃত্ত-পত্ৰ 2017 চনৰ 31 মাৰ্চ তাৰিখৰ দিনা তলত দিয়া ধৰণৰ আছিল :

*Balance Sheet of X as on 31st March, 2017*

*31 মাৰ্চ, 2017 তাৰিখে X-ৰ উদ্বৃত্ত-পত্ৰ*

| *Liabilities (দেয়)* | ₹ (টকা) | *Assets (সম্পত্তি)* | ₹ (টকা) |
|---|---|---|---|
| Sundry Creditors<br>বিবিধ পাওনাদাৰ | 50,000 | Furniture<br>আচবাব | 1,10,000 |
| Capital<br>মূলধন | 2,00,000 | Stock<br>সম্ভাৰ | 1,20,000 |
| Profit & Loss A/c<br>লাভ-লোকচানৰ হিচাপ | 30,000 | Cash<br>নগদ ধন | 50,000 |
| | 2,80,000 | | 2,80,000 |

www.prepnext.com

*Balance Sheet of Y as on 31st March, 2017*

*31 মাৰ্চ, 2017 তাৰিখে Y-ৰ উদ্বৃত্ত-পত্ৰ*

| *Liabilities (দেয়)* | ₹ (টকা) | *Assets (সম্পত্তি)* | ₹ (টকা) |
|---|---|---|---|
| Sundry Creditors<br>বিবিধ পাওনাদাৰ | 1,10,000 | Furniture<br>আচবাব | 1,60,000 |
| Capital<br>মূলধন | 2,60,000 | Stock<br>সম্ভাৰ | 1,80,000 |
| | | Cash<br>নগদ ধন | 6,000 |
| | | Profit & Loss A/c (Dr.)<br>লাভ-লোকচানৰ হিচাপ (ডেবিট) | 24,000 |
| | 3,70,000 | | 3,70,000 |

You are required to—

*(i)* close the books of *X*;

*(ii)* close the books of *Y*;

*(iii)* draw up the Balance Sheet of the new firm. 4+4+3=11

তোমাক কোৱা হ'ল—

*(i)* *X*-ৰ হিচাপ বহী বন্ধ কৰিবৰ বাবে;

*(ii)* *Y*-ৰ হিচাপ বহী বন্ধ কৰিবৰ বাবে;

*(iii)* নতুন প্ৰতিষ্ঠানৰ উদ্বৃত্ত-পত্ৰখনি প্ৰস্তুত কৰিবৰ বাবে।

★★★

www.prepnext.com